**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ১৪৬/২০২০**

# লক্‌-ডাউনৰ কোনো শিথিলতা কৰা নাই ৰাজ্য চৰকাৰে

**দিছপুৰ, ৩১ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে লক্‌-ডাউনৰ ক্ষেত্ৰত কোনো শিথিলতা অৱলম্বন কৰা হোৱা নাই। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে যি ২১ দিনীয়া ৰাষ্ট্ৰযোৰা লক্‌-ডাউনৰ কাৰ্যসূচীৰ আহ্বান জনাইছিল, সেই আহ্বানৰ প্ৰতি অসমৰ জনসাধাৰণে আন্তৰিকতাৰে সহযোগিতা আগবঢ়াইছে। অহা ১৪ এপ্ৰিললৈ অসমতো সৰ্বাত্মকৰূপত লক্‌-ডাউন কাৰ্যসূচী অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে জৰুৰী সেৱা অব্যাহত ৰখাৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰী সমূহ যাতে জনসাধাৰণে লাভ কৰে তাৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিছে। সামাজিক দূৰত্ব বজাই ৰাখি এই লক্‌-ডাউনৰ কাৰ্যসূচী সম্পূৰ্ণৰূপে সফল কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক আহ্বান জনায়।

আনহাতে, দুখীয়া শ্ৰেণীৰ জনসাধাৰণক সকাহ দিয়াৰ উদ্দেশ্যৰে কালি অনুষ্ঠিত মন্ত্ৰী মণ্ডলীৰ গুৰুত্বপূৰ্ণ বৈঠকত কেতবোৰ পেকেজ ঘোষণা কৰা হয়। লক্‌-ডাউনৰ সময়ত সমাজৰ দৰিদ্ৰ শ্ৰেণীৰ লোকক সকাহ দিয়াৰ বাবেহে ৰাজ্য চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে।

**পুঃডেঃ / বঃভাঃ**
**৩১/০৩/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in